প্ৰব্ৰজনৰ বৃহৎ সমস্যাটোৰ অংশীদাৰ হৈছে সন্দেহজনক বাংলাদেশীৰ লগতে বহিৰাগতৰ আগ্ৰাসন, ইয়াৰ ফলত শ্ৰমবিমুখ খিলঞ্জীয়া তিলতিলকৈ সৰ্বস্বান্ত হৈছে। অৰ্থনৈতিক শোষণৰ লগতে চৰকাৰী-বেচৰকাৰী ভূমি অধিগ্ৰহণত খিলঞ্জীয়াই মাটি-ভেটি হেৰুৱাইছে। ক'বই লাগিব— খিলঞ্জীয়াই খিলঞ্জীয়াৰ শত্ৰু; কথাষাৰ মন কৰিবলগীয়া। হিন্দুৱে যেনেকৈ হিন্দু বিদেশীক...

খিলঞ্জীয়াৰ সুৰক্ষা আৰু বিৰোধী ঐক্যৰ সন্দিহান স্থিতি

কুশল কুমাৰ দাস

উচ্ছেদৰ শূন্য সহনশীলতা

অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট ক্ৰমান্বয়ে অবুজ সাঁথৰ হোৱা যেন অনুভৱ হয়। খিলঞ্জীয়াৰ সুৰক্ষাৰ বাবে অবৈধ চৰকাৰী ভূমিৰ পৰা সন্দেহজনক লোকক উচ্ছেদৰ যুদ্ধংদেহি পৃষ্ঠপোষকতা আশাব্যঞ্জক যদিও বহু লোকে এনে পদক্ষেপক সন্দেহৰ চকুৰেও চাইছে। এয়া প্ৰাক্ নিৰ্বাচনী ৰণডংকা নে থলগিৰীৰ সুৰক্ষাৰ স্থায়ী ব্যৱস্থা? সি যি নহওক, ভয়-শংকাৰ মাজত সেপ ঢুকি থকা অসমীয়াই অন্ততঃ স্বাভিমানেৰে জীয়াই থকাৰ পৰিৱেশ সৃষ্টি কৰাত চৰকাৰৰ ভূমিকাক বিশ্বাসত ল'ব পাৰিব। এনে অৱস্থাত অসমৰ সৰু-বৰ ৰাজনৈতিক দলবোৰৰ ধৰ্মঘণ্টা লৰিছে। ক্ষমতা দখলৰ বাবে কোন দলে কিহৰ বাবে কি কৰিছে সহজে বুজা টান। তৎপৰতা বাঢ়িছে যদিও আঞ্চলিক দলবোৰে জনতা জনার্দনৰ ওচৰত আস্থাভাজন হ'ব পৰা নাই যেন অনুমান হয়। কংগ্ৰেছে যিদৰে গৌৰৱ গগৈক দলৰ সভাপতিৰ দায়িত্ব দি শাসকীয় ভাজপাক একপ্ৰকাৰ প্ৰত্যাহ্বান জনাইছে, ঠিক তেনেদৰে বিৰোধী ঐক্যৰ ঢাক-ঢোল বজাই থকা ৰাইজৰ দলৰ একমাত্ৰ বিধায়কে জনতাৰ সমৰ্থন লাভৰ বাবে কংগ্ৰেছ আৰু আজমলৰ দুৰ্গবোৰত আধিপত্য বিস্তাৰৰ বাবে সংখ্যালঘু ৰাইজৰ ওচৰত সৰ্বোচ্চ উজাৰি দিছে। কেতিয়াবা উচ্ছেদস্থলীত গৈ উচ্ছেদিতৰ মৰম-স্নেহৰ পৰশত মন চঞ্চল কৰি অধিক আত্মবিশ্বাস বৃদ্ধি কৰি কংগ্ৰেছ দলক বিৰোধী ঐক্যৰ বাবে সময়সীমা বান্ধি প্ৰত্যাহ্বান জনাইছে আৰু দৰকাৰ হ'লে অকলে নিৰ্বাচন খেলাৰ হুমকি দিছে। উচ্ছেদিত লোকৰ সমৰ্থন আদায়ৰ বাবে অহোপুৰুষাৰ্থ কৰা নতুন ভূমিকাৰ সমান্তৰালভাৱে ঐতিহ্যপূৰ্ণ শিৰসাগৰত জাতীয় সংগঠনবোৰে মিঞা বহিষ্কাৰৰ বাবে হাতে-কামে লাগি পৰিছে। ইতিমধ্যে জাতীয় ঐক্য অক্ষুণ্ণ ৰখাৰ বাবে যোৰহাট-শিৰসাগৰত নাগৰিক সভা পাতি থলগিৰীৰ স্বাৰ্থতি কোনো লোকে আইন হাতত তুলি নোলোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে আৰু চৰকাৰী ভূমি বেদখলমুক্ত কৰাত সন্মতি প্ৰকাশ কৰিছে। গোটেই অসমত শ্ৰমজীৱী মিঞাৰ বিষয়ে নতুনকৈ কোৱাৰ প্ৰয়োজন নাই যদিও এওঁলোক প্ৰব্ৰজন কৰা শ্ৰমিক। এই শ্ৰমিকৰ মাজত সহাৱস্থান কৰি থাকে ভাৰতৰ নাগৰিকত্ব নথকা বহু বিদেশী। যিসকলে শ্ৰমিকৰ কাম কৰিও থাকে আৰু এটা সময়ত ভাৰতীয় নাগৰিকত্ব বে-আইনীভাৱে কৰি লয়। ইয়াৰ ফলতে বিভিন্ন অঞ্চলত জনগাঁথনি ব্যাপকভাৱে সলনি হৈছে। এনে কাৰণত জাতীয়তাবাদী শিবিৰ অসমীয়াৰ স্বাৰ্থতে ওলাই অহা স্বাভাৱিক; কাৰণ থলুৱাৰ দুৰ্বলতাৰ সুযোগ লৈ সন্দেহজনক বিদেশী আৰু বহিৰাগতেই ৰৰপীৰা পাৰি অসমীয়া মানুহক বিভিন্ন সময়ত উচ্চ বাচা কথাৰ বাদেও শাৰীৰিক, মানসিক অত্যাচাৰ তথা শোষণ কৰি থাকিলে জাতীয় নেতাৰ মুখত মৌসনা মাত-কথাৰ আশা কৰা মূৰ্খামি। এনে পৰিস্থিতিত ৰাইজৰ দলৰ স্থিতি চমৎকাৰ, মৌন কংগ্ৰেছ দল, অজাপৰ দ্বিধাগ্ৰস্ত স্থিতিয়ে বিৰোধী ঐক্যৰ সপোন চুৰমাৰ কৰি পেলাইছে। লাচিত সেনা আৰু ৰাইজৰ দলৰ নেতাদ্বয়ৰ বাক্‌যুদ্ধ এক অৰ্থত দুই ম'ৰৰ যুঁজত বিৰিণাৰ মৰণৰ লেখীয়া পৰিৱেশ হৈছে। শিৰসাগৰ এনেও বহু ইতিহাসৰ সাক্ষী হৈ আছে। এই স্থানতে খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষাৰ জাগৰণে গোটেই অসমৰ বাবে নতুন বাৰ্তা কঢ়িয়াই আনিব পাৰে। এফালে চৰকাৰে দখলমুক্ত কৰাৰ বাবে উচ্ছেদকাৰ্য চলাইছে, আনফালে জাতীয় সংগঠনে সন্দেহজনক শ্ৰমজীৱী মিঞাক উজনি অসম এৰিবলৈ সময়সীমা বান্ধি দিছে। মিঞাই একেবাৰে অসম এৰিলে ভালেই কথা, কিন্তু সেয়া জানো সম্ভৱ হ'ব? এটা অঞ্চলৰ পৰা গৈ বেলেগ ঠাইত নিশ্চয় থিতাপি ল'ব। কথা হ'ল এনে কাৰ্যই বাৰু অসমৰ জ্বলন্ত বিদেশী সমস্যাৰ সমাধান সম্ভৱ কৰিবনে? জনাই জানে, বুজাই বুজে; এয়া হৈছে প্ৰাক্ নিৰ্বাচনী ইস্যু, তথাপি অসমীয়াই বিচাৰে এয়া চৰকাৰৰ স্থায়ী পদক্ষেপ হওক। মন কৰিব লগীয়া যে গৌৰৱ গগৈয়ে দায়িত্ব লোৱাৰ পাছত বিৰোধী ঐক্যই কথা ক'বলৈ এৰিছে। হয়তো অধিক আত্মবিশ্বাসত ৰাইজৰ দলৰ সকলো আহ্বানৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ পৰা বিৰত আছে। দলবোৰে বাৰম্বাৰ আহ্বান জনোৱাৰ পাছতো গৌৰৱ গগৈয়ে কিন্তু বিশেষ গুৰুত্ব দিয়া নাই। ইয়াৰ অৰ্থ এনেকুৱা নেকি? য'ত কংগ্ৰেছে অকলে নিৰ্বাচন খেলিব? নতুবা গোপনভাৱে বিৰোধী ঐক্যৰ সাংগাঠনিক পৰিকল্পনা প্ৰস্তুত কৰি ৰাখিছে! যদি সেয়াই হয়, তেনেহ'লে গগৈৰ কৌশল আৰু বুদ্ধিমত্তাৰ ফচল সময়ত নিশ্চয় ৰাইজে গম পাব। সঘনাই উচ্চাৰিত 'বিৰোধী ঐক্য' অভিধাই ৰাইজক নিশ্চয় আমনি লগাইছে; নতুবা এনে ঐক্য যদিহে জনসাধাৰণক কি নতুন সোৱাদ দিব পাৰিব? তেনে অনুমান ৰাইজে গুণা-গাঁথা নকৰাকৈ থকা নাই। কিন্তু জোঁৰ পুৰি হাত পোৱাৰ পাছতো বিৰোধী ঐক্যৰ মেজিক নাম্বাৰৰ খেলখন নোহোৱা মানে ভিতৰি ভিতৰি কোন দলে কি ধৰণে গোপন শত্ৰু হৈ কাক বধিবৰ ষড়যন্ত্ৰ ৰচিব, সেই কথা বিৰোধী ঐক্যৰ সপোন দেখাসকলে সোনকালে বিবেচনা কৰা দৰকাৰ। নহ'লে শাসনভাৰ নিজৰ হাতলৈ অনাও ইমান সহজ নহ'ব। ৰাইজৰ দলে যিটো হাৰত কংগ্ৰেছৰ ঘাটিসমূহত আঘাত হানিবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে তাৰদ্বাৰা কোন দল উপকৃত হ'ব পাৰে সেই কথাও হয়তো কংগ্ৰেছে উপলব্ধি কৰিয়ে নতুন ৰণনীতিৰ কামত ব্যস্ত হৈ পৰিছে। কাৰণ হকে-বিহকে ৰাইজৰ দলে কংগ্ৰেছক প্ৰত্যাহ্বান জনোৱাৰ অন্তৰালত কি ৰহস্য লুকাই থাকিব পাৰে? আচলতে এই দলটোৱে কংগ্ৰেছ নে ভাজপাক উপকৃত কৰিবলৈ সাপে মোত সলনি কৰাৰ দৰে নিজৰ স্থিতি সলনি কৰি থাকে? নিৰ্বাচন চমু চাপি অহাৰ পাছতো ৰাইজৰ দল কিম্বা কংগ্ৰেছৰ মূল ইস্যু এতিয়াও স্পষ্ট হোৱা নাই; আনফালে ভাজপা অসমে ৰাজহুৱাভাৱে ঘোষণা নকৰিলেও চৰকাৰী ভূমি দখলমুক্ত কৰাৰ বাবে উচ্ছেদৰ ইস্যু প্ৰকাৰন্তৰে ৰাইজৰ ওচৰলৈ লৈ গৈছে। বিভিন্ন দল-সংগঠনে চৰকাৰৰ এনে প্ৰচেষ্টাক আদৰণি জনোৱা দেখা গৈছে। আছুৰে মুকলিকৈ চৰকাৰৰ শূন্য সহনশীলতাৰে চলোৱা উচ্ছেদক সমৰ্থন জনোৱাৰ ফলত কংগ্ৰেছ দলে ২৬ৰ নিৰ্বাচনৰ বাবে কেৱল ভাজপাক ক্ষমতাৰ পৰা ওফৰাবলৈ বিৰোধী ঐক্য গঠনেৰে নিৰ্বাচনত অৱতীৰ্ণ হ'বনে নে অকলে নিৰ্বাচন খেলিব? ৰাজনৈতিক বাতাৰৱণ অস্পষ্ট হৈ থকাৰ বাবে শাসকীয় দলে সময়ত গৈ শেষ হাঁহি মাৰিব যেন লাগে। অবৈধ দখল মুক্ত কৰা চৰকাৰৰ এক সাংবিধানিক দায়িত্ব। এয়াই যেন বৰ্তমানৰ শাসকীয় দলৰ মূল ইস্যু বুলি অনুমান কৰিব পাৰি। বৰ্তমান সময়ত যি ধৰণৰ তৎপৰতা যুদ্ধংদেহি ৰূপত দেখা গৈছে সেয়াই অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে হয়তো পুনৰ ভাজপাই জনতাৰ সমৰ্থন পাব। ছয় বছৰ কালজোৰা বিদেশী বহিষ্কাৰ আন্দোলনে দিয়া চুক্তিৰ বিভিন্ন দফা এতিয়াও শেষৰটো কাৰ্যকালত চৰকাৰী ভূমি উচ্ছেদৰ পৰা মুক্ত কৰা পদক্ষেপক সহজ-সৰল অসমীয়াই মুক্ত কণ্ঠেৰে আদৰণি জনাইছে, কিন্তু বহুতে আগৰ চৰকাৰৰ কাৰ্যকালত এনে পদক্ষেপ কিয় লোৱা নাছিল; তাৰ বাবেও ক্ষোভ প্ৰকাশ কৰিছে। ভাজপাই অসমীয়া জাতিৰ লগতে আন এটা স্থিতি স্পষ্ট কৰিলে ভাল হ'ব— দখলমুক্ত হাজাৰ হাজাৰ ভূমিৰ ক্ষেত্ৰত ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে কি ভূমিকা অৱলম্বন কৰা হ'ব? উচ্ছেদিত বনাঞ্চলত জীৱ-জন্তুৰ বাবে মুকলি কৰি দিলে বনীয়া জীৱ-জন্তুৰে সকাহ পাব। লগতে দখলমুক্ত ভূমি পুনৰ দখললৈ যাতে নাযায়, তাৰ ব্যৱস্থাও কৰা দৰকাৰ; নহ'লে পুনৰ একেখন ভেক্লিবাজী নাটকৰ দৰ্শক সাধাৰণ জনতা হ'ব লাগিব। ইতিমধ্যে সীমান্তৱৰ্তী উচ্ছেদিত ভূমিক লৈ নগা লোকৰ আগ্ৰাসনৰ আন এক সমস্যাৰ মুখামুখি হোৱাৰ ইংগিত পোৱা গৈছে। এই ক্ষেত্ৰত প্ৰশাসনে সঠিক সময়ত কোনো ব্যৱস্থা নলৈলে উচ্ছেদিত ভূমি উদক ভেটা ৰখীয়া কৰি দিয়া হ'ব। সীমামুৰীয়া চৰকাৰে 'ন' মেন্‌ছ লেণ্ড' চিহ্নিত কৰি সীমা সমস্যা সমাধান কৰাৰ ব্যৱস্থাও কৰিব পাৰে। অন্যথা সীমান্তৱৰ্তী অঞ্চলৰ উত্তেজনা কেতিয়াও লাঘৱ নহ'ব। চৰকাৰী দখলীকৃত ভূমিৰ পৰা উচ্ছেদৰ সংগ্ৰামত চৰকাৰ ব্যস্ত থকাৰ সমান্তৰালভাৱে উজনি অসমত জাতীয় শিবিৰে হাতে-কামে ওলাই আহিব লগীয়া কথাটো অধিক চিন্তনীয়; সংগঠনসমূহে কেৱল মিঞাক লক্ষ্য কৰাৰ অন্তৰালত কাৰণ নিহিত হৈ আছে। বিভিন্ন ক্ষেত্ৰত দক্ষতাসম্পন্ন মিঞা শ্ৰমিক সোমাই পৰিছে। বিভিন্ন কামত নিয়োজিত একাংশ মিঞাই আধিপত্য বিস্তাৰ কৰিছে, এনে কথা প্ৰমাণসিদ্ধ হৈ পৰাত জাতীয় সংগঠনবোৰে জাতীয় স্বাৰ্থৰ ৰক্ষাৰ বাবে ওলাই আহিছে। এই বিষয়টো মাজে মাজে সুপ্ত আগ্নেয়গিৰীৰ দৰে উক দিয়ে আৰু সময়ত শুই পৰে। প্ৰব্ৰজনৰ বৃহৎ সমস্যাটোৰ অংশীদাৰ হৈছে সন্দেহজনক বাংলাদেশীৰ লগতে বহিৰাগতৰ আগ্ৰাসন, ইয়াৰ ফলত শ্ৰমবিমুখ খিলঞ্জীয়া তিলতিলকৈ সৰ্বস্বান্ত হৈছে। অৰ্থনৈতিক শোষণৰ লগতে চৰকাৰী-বেচৰকাৰী ভূমি অধিগ্ৰহণত খিলঞ্জীয়াই মাটি-ভেটি হেৰুৱাইছে। ক'বই লাগিব— খিলঞ্জীয়াই খিলঞ্জীয়াৰ শত্ৰু; কথাষাৰ মন কৰিবলগীয়া। হিন্দুৱে যেনেকৈ হিন্দু বিদেশীক বিভিন্ন কাম-কাজত ৰক্ষণাবেক্ষণ দিছে, একেদৰে মুছলমানেও অনুৰূপ আশ্ৰয় দি নিজৰ ভেটি-মাটি হেৰুৱাই আছে। সামান্য উপাৰ্জনৰ আশাত ভাৰা ঘৰ সাজি দিছে আৰু এলেহুৱা অসমীয়াৰ অংশকালীন শ্ৰমিক হিচাপে কামত লগাইছে। এনে শ্ৰমজীৱীয়ে 'এডেও দুডেও লোটা নিয়াৰ চেও'ৰে ভাৰতীয় নাগৰিকৰ প্ৰমাণ হাচিল কৰি অঞ্চলবিশেষে খিলঞ্জীয়াক সংখ্যালঘুত পৰিণত কৰে আৰু প্ৰেমৰ অচিলা লৈ বুকুত গোৰ মাৰি আমাৰ ছোৱালী বিয়া পাতি আমাৰ মাটিত ৰৰপীৰা পাৰি বহুলাই লয়। থলগিৰী অসমীয়াই নিজৰ দোষ মৰিষণ কৰিবলৈ চৰকাৰক বিদেশী সমস্যা সমাধান নকৰাৰ দোষ দি হাত সাবটি বহি থকাই আমাৰ ধৰ্ম-কৰ্মত পৰিণত হৈছে। বিদেশী সমস্যা সমাধানৰ বাবে চৰকাৰে লোৱা পদক্ষেপৰ এটা অংশ হৈছে চৰকাৰী ভূমি বেদখলমুক্ত কৰা। ভূমি মুক্ত হ'লে যেনিবা, উচ্ছেদিত দেশী-বিদেশী লোক ক'লৈ যাব? চৰকাৰে শ্ৰম অনুজ্ঞা বা আন্তঃপ্ৰৱেশ-পত্ৰ (work permit or inner line permit) দি সমস্যাটোৰ দীৰ্ঘম্যাদী সমাধানৰ ব্যৱস্থা ল'ব পাৰে।